इस पुस्तिका में **16** मुद्रित पृष्ठ हैं।
This Booklet contains **16** printed pages.

# DET–24–II

मुख्य परीक्षा पुस्तिका संख्या
Main Test Booklet No.

**Language Code 03**

## प्रश्न-पत्र—II / PAPER—II
## असमीया भाषा परिशिष्ट
## ASSAMESE LANGUAGE SUPPLEMENT
## भाग IV & V / PART IV & V

**मुख्य परीक्षा पुस्तिका कोड/Main Test Booklet Code**
**M**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**

**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ संख्या 16) पर दिए गए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page No. 16) of this Test Booklet.**

**असमीया में निर्देशों के लिए इस पुस्तिका के पृष्ठ संख्या 2 व 15 देखें। / For Instructions in Assamese, see Page Nos. 2 and 15 of this Booklet.**

### परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग—IV (भाषा—I) **या** भाग—V (भाषा—II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेजी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग—IV व भाग—V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर-पत्र पर निशान लगाने के लिए **केवल नीले/काले बॉलपॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत M** है। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट परीक्षा पुस्तिका का संकेत, उत्तर-पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं तथा प्रत्येक 1 अंक का है :

   भाग—IV : भाषा—I (असमीया) (प्रश्न सं० 91–120)
   भाग—V : भाषा—II (असमीया) (प्रश्न सं० 121–150)
7. भाग—IV में भाषा—I के लिए 30 प्रश्न और भाग—V में भाषा—II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से सम्बन्धित प्रश्न दिए गए हैं। **यदि भाषा—I और/या भाषा—II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है/हैं, तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लें। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन-पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग—V (भाषा—II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा—I (भाग—IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ़ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर-पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

### INSTRUCTIONS FOR CANDIDATES

1. This Booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part—IV (Language—I) **OR** Part—V (Language—II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part—IV and Part—V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Blue/Black Ballpoint Pen only** for writing particulars on this page/marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **M**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective-type Questions and each carrying 1 mark :

   Part—IV: Language—I (Assamese) (Q. Nos. 91–120)
   Part—V : Language—II (Assamese) (Q. Nos. 121–150)
7. Part—IV contains 30 questions for Language—I and Part—V contains 30 questions for Language—II. In this Test Booklet, only questions pertaining to Assamese Language have been given. **In case, the language(s) you have opted for as Language—I and/or Language—II is/are language(s) other than Assamese, please ask for a Test Booklet that contains questions on that language. The languages being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part—V (Language—II) in a language other than the one chosen as Language—I (Part—IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) :
Name of the Candidate (in Capitals) : ______

अनुक्रमांक (अंकों में)/Roll Number (in figures) : ______
(शब्दों में)/(in words) : ______

परीक्षा-केन्द्र (बड़े अक्षरों में) :
Centre of Examination (in Capitals) : ______

परीक्षार्थी के हस्ताक्षर :
Candidate's Signature : ______

निरीक्षक के हस्ताक्षर :
Invigilator's Signature : ______

Facsimile Signature Stamp of Centre Superintendent ______

www.careerindia.com

CAREERINDIA

এই পৰীক্ষণ-বহীত **16**টা পৃষ্ঠা আছে

# DET–24–II

পৰীক্ষণ-বহীখনৰ কোড

**M**

Language Code
**03**

## কাকত—II

## অসমীয়া ভাষা

## খণ্ড—IV আৰু V

এই পৰীক্ষণ-বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবাঁ।

এই পৰীক্ষণ-বহীখনৰ পিছৰ পৃষ্ঠাত (পৃষ্ঠা 15 আৰু 16) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

**1.** এই বহীখন মুখ্য পৰীক্ষণ-বহীখনৰ সহায়ক হিচাপে সেইসকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে অসমীয়া ভাষাৰ খণ্ড—IV (ভাষা—I) (Part—IV, Language—I) বা খণ্ড—V (ভাষা—II) (Part—V, Language—II)-ৰ উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।

**2.** পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষণ-বহীৰ পৰা—I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড—IV আৰু খণ্ড—V কৰিব লাগিব।

**3.** ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ-বহীৰ সৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।

**4.** এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **ক'লা বা নীলা বল পেন** ব্যৱহাৰ কৰিবাঁ।

**5.** এইখন ভাষা বহীৰ (Language Booklet) কোড হ'ল **M**. এইটো নিশ্চিত কৰা যে উত্তৰ-বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষণ-বহী আৰু ভাষা সহায়কত একেধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক (Invigilator) জনাব আৰু ভাষা সহায়ক পৰীক্ষণ-বহী সলাই ল'ব।

**6.** এই পৰীক্ষণ-বহীৰ দুটা খণ্ড—IV আৰু খণ্ড—V **60** টা চমু ধৰণৰ প্ৰশ্ন (Objective-type Questions) আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

খণ্ড—IV : ভাষা—I (অসমীয়া) (প্ৰশ্ন 91ৰ পৰা 120 লৈ)

খণ্ড—V : ভাষা—II (অসমীয়া) (প্ৰশ্ন 121ৰ পৰা 150 লৈ)

**7.** খণ্ড—IV ত ভাষা—I ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড—V ত ভাষা—II ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ-বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা—I অথবা ভাষা—II অসমীয়াৰ বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ-বহী খুজি ল'বা। তোমাৰ আবেদন পত্ৰত (Application Form) উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**

**8. পৰীক্ষাৰ্থীয়ে খণ্ড—V (ভাষা—II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড—IV (ভাষা—I)ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**

**9.** প্ৰশ্নোত্তৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষণ-বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।

**10.** প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ-বহীতহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবাঁ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ______________________

ৰোল নম্বৰ (সংখ্যাৰে) : ______________________

(আখৰেৰে) : ______________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ______________________

প্ৰাৰ্থীৰ চহী : ______________ নিৰীক্ষকৰ চহী : ______________

Facsimile signature stamp of
Centre Superintendent ______________________

www.careerindia.com

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা–I (Language–I)** হিচাপে লৈছে, তেনেহ'লে **Part–IV** ৰ (প্ৰশ্ন নং **91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব ।

Candidates should attempt the questions from **Part–IV (Q. Nos. 91–120)**, if they have opted **ASSAMESE** as **Language–I** only.

www.careerindia.com

# PART—IV / খণ্ড—IV

## LANGUAGE—I / ভাষা—I

## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা–I (Language–I)** হিচাপে লৈছে, তেনেহ'লে **Part–IV**ৰ (**প্ৰশ্ন নং 91**ৰ **পৰা 120 লৈ**) উত্তৰ কৰিব।

**91.** এগৰাকী শিক্ষক হিচাপে তুমি তোমাৰ শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বোচ্চ অংশগ্ৰহণৰ কাৰণে তলত দিয়া কোনটো পদ্ধতি গ্ৰহণ কৰিবা?

(1) আবৃত্তি
(2) আলোচনা
(3) প্ৰদৰ্শন
(4) আদৰ্শ পঠন

**92.** এগৰাকী শ্ৰোতাই এক নিৰ্দিষ্ট বৰ্ণনা শুনি যাওঁতে একে মূলীয় শব্দ আৰু শব্দৰ ক্ৰমৰ আৰ্হিটো ধৰিব পাৰিছে। এই শ্ৰৱণ প্ৰক্ৰিয়াটোক কি বুলি জনা যায়?

(1) ৰৈখিক (linear) প্ৰক্ৰিয়া
(2) ঊৰ্ধ্বমুখী (Bottom-up) প্ৰক্ৰিয়া
(3) অধোমুখী বা নিম্নগামী (Top-down) প্ৰক্ৰিয়া
(4) অপ্ৰত্যক্ষ বা আনুমানিক সিদ্ধান্তজাত (Inferential) প্ৰক্ৰিয়া

**93.** চুটিগল্প এটা পঢ়োঁতে বা পঢ়ুৱাওতে তলত দিয়া কোনটো 'পঢ়ি যাওঁতে কৰা কাৰ্য' হ'ব পাৰে?

(1) শিক্ষকে শিকাৰুক নতুন শব্দবোৰৰ অৰ্থ সোধা আৰু সেই শব্দবোৰেৰে বাক্যৰচনা কৰিবলৈ উৎসাহিত কৰা
(2) শিকাৰুসকলে কাহিনীটোত থকা ঘটনাবোৰ অনুমান কৰিবলৈ আলোচনা কৰা
(3) শিকাৰুসকলে যুটি বান্ধি ইজনে-সিজনক পঢ়ি দিয়া
(4) শিকাৰুসকলে লেখকৰ পৰিচয়ৰ বিষয়ে আলোচনা কৰা

**94.** এটা শ্ৰেণীত শিক্ষকে কোনো প্ৰশ্ন সোধা নাই। বৰঞ্চ তেওঁ ছাত্ৰ-ছাত্ৰীসকলক চুটি পাঠ এটা পঢ়িবলৈ দি তাৰ পৰা প্ৰশ্ন প্ৰস্তুত কৰিবলৈ দিছে। শিক্ষকগৰাকীয়ে কৰা এই কাৰ্যৰ অন্তৰালত থকা উদ্দেশ্য হৈছে

(1) ছাত্ৰ-ছাত্ৰীৰ বিশ্লেষণাত্মক আৰু সমালোচনাত্মক চিন্তাৰ বিকাশ ঘটোৱা
(2) শিকাৰুসকলক ভাল প্ৰশ্ন প্ৰস্তুতকৰ্তা হিচাপে গঢ়ি তোলা
(3) শিক্ষকগৰাকীয়ে নিজৰ কামত ছাত্ৰ-ছাত্ৰীৰ সহায় লোৱা
(4) প্ৰশ্ন প্ৰস্তুত কৰা কামটো কিমান জটিল সেই কথাটো ছাত্ৰ-ছাত্ৰীক অনুভৱ কৰোৱা

**95.** ভাষাৰ মূল্যায়নৰ লক্ষ্য হৈছে

(1) শিকাৰুৰ ভাষা ব্যুৎপত্তিৰ মূল্যায়ন
(2) প্ৰত্যেক শিকাৰুৰে তেওঁৰ সহপাঠীসকলৰ তুলনাত কিমান শিকিব পাৰিছে তাৰ মূল্যায়ন
(3) শিকাৰুসকলৰ সামগ্ৰিক সাফল্য নিৰ্ধাৰণ কৰা
(4) শিকাৰুৰ ভাষা শিকন সাফল্যৰ মূল্যায়ন

**96.** শিক্ষণ-সহায়ক সামগ্ৰীৰ ব্যৱহাৰৰ উদ্দেশ্য কি?

(1) শ্ৰেণীকোঠাত শিকাৰুৰ মনোযোগ আকৰ্ষিত কৰা
(2) শিকন কাৰ্যত শিকাৰুক ব্যস্ত কৰি ৰখা বা সংযোজিত কৰি ৰখা
(3) শিকাৰুৰ মাজত শিকন ফলাফল বৃদ্ধি কৰা
(4) শ্ৰেণীকোঠাৰ বিশৃংখল পৰিস্থিতিত কম কৰা বা নিয়মানুৱৰ্তিতা বজাই ৰখা

**97.** তোমাৰ ছাত্ৰ বা ছাত্ৰী এগৰাকীয়ে তেওঁৰ প্ৰিয় কিতাপখনত থকা ছবিবোৰৰ সহায় লৈ তাত থকা কাহিনীটো কোৱা কাৰ্যটো হৈছে

(1) বৃত্তান্তমূলক বা কাহিনী বৰ্ণনৰ সজাগতা
(2) উদ্‌গমী বা উদ্ভৱকালীন পঠনৰ স্তৰৰ নিদৰ্শন
(3) ধ্বনিতাত্ত্বিক সজাগতা
(4) বাক্যবিন্যাস সম্বন্ধীয় সজাগতা

www.careerindia.com

**নির্দেশ :** তলত দিয়া ৰছনাখণ্ড পঢ়ি (**প্ৰশ্ন নং 98ৰ পৰা 106 লৈ**) আটাইতকৈ উপযুক্ত বিকল্পটো বাচি উলিয়াওক।

'আধুনিক' শব্দৰ অভিধানগত অৰ্থ হ'ল, 'এতিয়াৰ, আজিকালিৰ নতুন'। কিন্তু 'আধুনিক' শব্দটোক আৰু এটা গভীৰতৰ অৰ্থত ব্যৱহাৰ কৰা হয়, কেতবোৰ বিশেষ লক্ষণাক্ৰান্ত এটা ঐতিহাসিক যুগক চিহ্নিত কৰিবৰ কাৰণে। এই যুগটো অৱশ্যেই ইউৰোপীয় ভাব বিপ্লৱৰ ইতিহাস। বৰ্তমান কালত সমগ্ৰ মানৱসমাজেই ইউৰোপৰ সভ্যতা-সংস্কৃতিৰ দ্বাৰা বিপুলভাৱে প্ৰভাৱিত হৈছে। সেই কাৰণে শিক্ষিত মানুহ মাত্ৰেই ইউৰোপৰ বৌদ্ধিক ইতিহাসৰ লগত সামান্য পৰিমাণে হ'লেও পৰিচিত হোৱা দৰকাৰ।

ইউৰোপত আধুনিক যুগৰ সূচনা হয় পোন্ধৰ শতিকাত। ইংৰাজ দাৰ্শনিক ফ্ৰান্সিছ্ বে'কনক 'আধুনিক যুগৰ আটাইতকৈ মেধাৱী মানুহ' বুলি কোৱা হয় ঃ আন বহুতেই আকৌ ক'ব খোজে যে তেৱেঁই আছিল আধুনিক যুগৰ প্ৰথম উদ্‌গাতা। অথচ ফ্ৰান্সিছ্ বে'কনৰ জন্ম হৈছিল ১৫৬১ চনত। পোন্ধৰ আৰু ষোল শতিকাত ইউৰোপৰ ভাব জগতত এনে কিছুমান মহত্ত্বপূৰ্ণ ঘটনা ঘটিছিল—যিবোৰ ঘটনাই মধ্যযুগৰ অৱসান ঘটাই আধুনিক যুগৰ সূচনা কৰিলে।

এই প্ৰসঙ্গতে কৈ থোৱা দৰকাৰ যে ইউৰোপৰ ইতিহাসক থূলমূলকৈ তিনিটা প্ৰধান যুগত ভাগ কৰিব পাৰি ঃ (১) প্ৰাচীন যুগ (২) মধ্যযুগ আৰু (৩) আধুনিক যুগ। ইংৰাজীত Classical antiquity নামে পৰিচিত প্ৰাচীন যুগটো খ্ৰীষ্টপূৰ্ব ১০০০ চনমানৰ পৰা আৰম্ভ হৈ প্ৰায় ৫০০ খ্ৰীষ্টাব্দলৈকে চলি আছিল। অৱশ্যে এটা কথা ঠিক যে ঐতিহাসিক যুগবোৰ কোনো এটা বিশেষ বছৰৰ বিশেষ দিনত আৰম্ভ হৈ আন এটা বিশেষ বছৰৰ বিশেষ দিনত অন্ত নপৰে। কামৰ সুবিধাৰ কাৰণেহে মোটামুটিকৈ একোটা তাৎপৰ্যপূৰ্ণ বছৰ ধৰি লোৱা হয়। সি যি কি নহওক, সুদীৰ্ঘ ১৫০০ বছৰ কাল সামৰা ইউৰোপীয় ইতিহাসৰ এই প্ৰচীন যুগটো কিন্তু আচলতে গ্ৰীক আৰু ৰোমানসকলৰ যুগ। এই যুগটোৰ প্ৰথম ভাগত গ্ৰীকসকলে আৰু পিছৰ ভাগত ৰোমানসকলে ইউৰোপৰ সভ্যতা-সংস্কৃতি গঢ়াত প্ৰধান ভূমিকা লৈছিল। মানৱ-সভ্যতালৈ গ্ৰীকসকলৰ অবিনাশী দান হ'ল তেওঁলোকৰ সাহিত্য, বিজ্ঞান-দৰ্শন আৰু শিল্প-কলা। আনহাতে ৰোমানসকলে উত্তৰাধিকাৰ হিচাপে এৰি থৈ গৈছে তেওঁলোকৰ শাসন ব্যৱস্থা আৰু আইন ব্যৱস্থা। ইউৰোপৰ সভ্যতা-সংস্কৃতি গঢ়াত গ্ৰীক আৰু ৰোমানসকলৰ অসাধাৰণ ভূমিকাৰ কথা বুজাবলৈ মাত্ৰ দুটা কথা ক'লেই যথেষ্ট হ'ব। ইউৰোপীয়সকলে বিশ্বাস কৰে যে প্ৰকৃতিৰ অন্ধ শক্তিবোৰৰ বাহিৰে এই পৃথিৱীৰ প্ৰতিটো জীৱিত আৰু চলৎ-শক্তিসম্পন্ন বস্তুৰে মূল উৎস হ'ল গ্ৰীক। সন্দেহ নাই যে ই হ'ল এটা অতিশয়োক্তি। এইচ্.এ.এল. ফিছাৰ নামৰ এজন ঐতিহাসিকে এই অতিশয়োক্তিৰ বিৰুদ্ধে আপত্তি তুলি কৈছে যে, যিসকল লোকে গ্ৰীকসকলৰ বিষয়ে এনে ধাৰণা পোষণ কৰে, তেওঁলোকে ভাৰতীয়, চৈনিক কিংবা জাপানী সভ্যতাৰ বিৰাট আধ্যাত্মিক সম্পদৰ কথা সমূলি পাহৰি থাকে। অৱশ্যে সেই একেজন ঐতিহাসিকেই এই বুলিও কৈছে যে যদিহে 'পৃথিৱী' মানে ইউৰোপক বুজোৱা হয় আৰু লগতে অন্যান্য মহাদেশৰ ওপৰত ইউৰোপৰ সামগ্ৰিক প্ৰভাৱৰ কথা বুজোৱা হয়, তেনেহ'লে এই কথা মানি লোৱাত কোনো আপত্তি নাই সমগ্ৰ ইউৰোপীয় সভ্যতা-সংস্কৃতিৰ উৎপত্তি স্থল হ'ল প্ৰাচীন গ্ৰীচ।

**98.** তলত উল্লেখ কৰা কোনটো ইউৰোপৰ ইতিহাসৰ প্ৰধান ভাগকেইটাৰ অন্তৰ্গত নহয়?

(1) আধুনিক যুগ
(2) প্ৰাচীন যুগ
(3) ৰেনেছাঁ
(4) মধ্যযুগ

**99.** এইচ্. এ. এল. ফিছাৰ আছিল

(1) এগৰাকী সাহিত্যতত্ত্ববিদ
(2) ৰেনেছাঁ যুগৰ এজন ভাস্কৰ্য শিল্পী
(3) প্ৰাচীন ইউৰোপৰ এজন কবি
(4) এগৰাকী ইতিহাসবিদ

**100.** তলত উল্লেখ কৰা কোনটোক 'ইউৰোপীয় ভাব বিপ্লৱৰ ইতিহাস' বুলি অভিহিত কৰা হয়?

(1) সাম্প্ৰতিক যুগটোক
(2) ইউৰোপৰ ইতিহাসক
(3) মধ্যযুগটোক
(4) প্ৰাগৈতিহাসিক কালচোৱাক

**101.** ফ্ৰান্সিছ্ বে'কনৰ জন্ম কেতিয়া হৈছিল?

(1) ১৫৬১ চনত
(2) ১৬৫১ চনত
(3) ১৬১৫ চনত
(4) ১৫৭৫ চনত

**102.** ইউৰোপৰ ইতিহাসৰ প্ৰাচীন যুগটো আনুমানিক কেতিয়াৰ পৰা কেতিয়ালৈ চলি আছিল?

(1) খ্ৰীষ্টিয় ১০০০ চনমানৰ পৰা খ্ৰীষ্টপূৰ্ব ৫০০ চনমানলৈকে
(2) খ্ৰীষ্টপূৰ্ব ১০০০ চনমানৰ পৰা খ্ৰীষ্টিয় ৫০০ চনমানলৈকে
(3) খ্ৰীষ্টিয় ৫০০ চনমানৰ পৰা খ্ৰীষ্টিয় ১০০০ চনমানলৈকে
(4) খ্ৰীষ্টপূৰ্ব ১০০০ চনমানৰ পৰা খ্ৰীষ্টপূৰ্ব ৫০০ চনমানলৈকে

**103.** তলত উল্লেখ কৰা শব্দকেইটাৰ ভিতৰত কোনটো 'অতিশয়োক্তি' শব্দটোৰ সমাৰ্থসূচক?

(1) অতিক্ৰমণ
(2) অতিৰঞ্জিত
(3) অতিচাৰ
(4) অতিসাৰ

**104.** ইউৰোপৰ ইতিহাসৰ প্ৰাচীন যুগটোৰ আদিভাগত কোনে ইউৰোপীয় সভ্যতা-সংস্কৃতি গঢ়াত প্ৰধান ভূমিকা লৈছিল ?

(1) জাপানীসকলে
(2) গ্ৰীকসকলে
(3) ৰোমানসকলে
(4) চৈনিক বা চীনাসকলে

**105.** মানৱ সভ্যতালৈ নিজৰ উত্তৰাধিকাৰ হিচাপে ৰোমানসকলে কি এৰি থৈ গৈছে ?

(1) তেওঁলোকৰ স্থাপত্য আৰু ভাস্কৰ্য
(2) তেওঁলোকৰ সাহিত্য আৰু শিল্পকলা
(3) তেওঁলোকৰ দৰ্শন আৰু বিজ্ঞান
(4) তেওঁলোকৰ শাসন ব্যৱস্থা আৰু আইন ব্যৱস্থা

**106.** ''ইউৰোপত আধুনিক যুগৰ সূচনা হয় পোন্ধৰ শতিকাত''—উদ্ধৃত বাক্যটোৰ প্ৰথম আৰু সপ্তম শব্দ দুটাত কি বিভক্তিৰ প্ৰয়োগ হৈছে ?

(1) প্ৰথমা
(2) সপ্তমী
(3) প্ৰথমা আৰু সপ্তমী
(4) ষষ্ঠী আৰু সপ্তমী

**নিৰ্দেশ:** উদ্ধৃত কবিতাটো পঢ়ি প্ৰশ্ন নং **107**ৰ পৰা **112**লৈ আটাইতকৈ উপযুক্ত বিকল্পটো নিৰ্বাচন কৰক :

সাগৰৰ পাৰতে বহি মই অকলে
গণিম আকাশী তৰা;
কেতেকী চৰায়ে গাব বিভু-গীতি
শুনিম দূৰৈৰে পৰা।
মনৰে কথাটি ক'ম বতাহক
বুকুখনি জুৰ কৰি;
লাহৰি সখীৰে কৰিম ধেমালি
ডিঙিত সাবটি ধৰি।
নাদুৰি সাঁতুৰি ওপঙি ফুৰিম
নীলিম লগৰী সতে;
মেঘৰ জীয়ৰীয়ে চকুৰ ঠাৰেৰে
মাতিব চেনেহী মাতে।
কত তলে যান আকৌ উঠিম
গাম আৱেগৰ গীতি,
বুকুৰ বেথাটি বুকুতে সামৰি
সোঁতত ফুৰিমে উটি।
কোনোবা খিনিতে দূৰ দূৰণিতে
পৰিম যেতিয়া গৈ,
আকুল সুৰেৰে হিয়া-বীণখনি
বাজিব বাজিব ঐ।

**107.** কবিতাটোত উল্লেখ থকা 'বিভু-গীতি'ৰ অৰ্থ কি ?

(1) বিৰহৰ গীত
(2) কেতেকী চৰাইৰ মাত
(3) কবিয়ে ৰচনা কৰা কবিতা
(4) ঈশ্বৰৰ স্তুতি

**108.** কবিয়ে 'মনৰ কথা' কাক কোৱাৰ কথা কৈছে ?

(1) নীলিম লগৰীক
(2) আকাশক
(3) বতাহক
(4) লাহৰি সখীক

**109.** আকুল সুৰেৰে/হিয়া-বীণখনি/বাজিব বাজিব ঐ।

উদ্ধৃত শাৰীটোৰ ৰেখাংকিত অংশত কোনবিধ কাব্যালংকাৰৰ প্ৰয়োগ হৈছে ?

(1) ৰূপক
(2) অনুপ্ৰাস
(3) যমক
(4) উপমা

**110.** 'চেনেহী মাতে'ৰে কোনে, কাক, কেনেদৰে মতাৰ কথা কোৱা হৈছে ?

(1) কেতেকী চৰায়ে, ঈশ্বৰক, স্তুতি-গীত গাই
(2) মেঘকন্যাই, কবিক, চকুৰ ইংগিতেৰে
(3) কবিয়ে, মেঘকন্যাক, কটাক্ষ কৰি
(4) কেতেকী চৰায়ে, কবিক, বিভু-গীতি গাই

CAREERINDIA

**111.** সাগৰৰ পাৰত বহি কবিয়ে কি কৰিব ?
(1) আকাশৰ তৰা গণিব
(2) কবিতা লিখিব
(3) সাগৰৰ ঢৌ গণিব
(4) হিয়া-বীণ বজাব

**112.** 'নীলিম লগৰী'ৰ সৈতে কবিয়ে কি কৰিব বুলি কৈছে ?
(1) মনৰ কথা ভগাই ল'ব
(2) সাঁতুৰি-নাদুৰি ফুৰিব
(3) ডিঙিত সাবটি ধেমালি কৰিব
(4) কেতেকী চৰাইৰ গীত শুনিব

**113.** ভাষা শিকাৰ ক্ষেত্ৰত তলত দিয়া কোনটো শুদ্ধ ?
(1) অৱচেতনভাৱে বা ক'ব নোৱাৰাকৈয়ে ভাষাৰ শিকন সংঘটিত হয়
(2) কেৱল ভাষা-বিষয়ক পাঠ্যপুথি পঢ়ি ভাষা শিকিব পৰা যায়
(3) ছপা সামগ্ৰীৰে সমৃদ্ধ পৰিৱেশত ভাষা শিকাৰ প্ৰক্ৰিয়াটো দ্ৰুত হয়
(4) বিজ্ঞান আৰু গণিত জানিবৰ কাৰণে ভাষা শিকাৰ প্ৰয়োজন নহয়

**114.** কান্দি উঠা বা কিৰিলি মৰা, কুঁ-কুঁৱনি আৰু কলকলোৱা আদি ভাষাৰ বিকাশৰ কোনটো স্তৰ ?
(1) প্ৰাসংগিক
(2) ভাষিক
(3) পূৰ্ব-ভাষিক
(4) প্ৰকাশক বা ভাব-প্ৰকাশক

**115.** গৰ্বিতে শ্ৰেণীকোঠাত নিজৰ লগৰীয়াবোৰৰ সৈতে কথা পাতি আছিল। তেনেকুৱাতে শিক্ষকে গৰ্বিতৰ নাম ধৰি মতাত সি লগে লগে ইংৰাজীত সঁহাৰি দিলে। গৰ্বিতৰ এই কাৰ্যটো তলত দিয়া কোনটোৰ উদাহৰণ ?
(1) ভাষা সঞ্চৰণ (Code-switching)
(2) ভাষা মিশ্ৰণ (Code-mixing)
(3) উপভাষা
(4) সমাজ ভাষাবিজ্ঞান

**116.** তলত উল্লেখ কৰাকেইটাৰ ভিতৰত কোনটো ৱাইগট্স্কীৰ সামাজিক-সাংস্কৃতিক সূত্ৰৰ অন্তৰ্গত নহয় ?
(1) ভাষা আহৰণৰ সঁজুলি
(2) সামাজিক বাৰ্তালাপ তথা পাৰস্পৰিক আদান-প্ৰদান
(3) সহায়ক হিচাপে আধাৰৰ যোগান ধৰা বা স্কেফ'ল্ডিং
(4) সামীপ্য বিকাশৰ ক্ষেত্ৰ

**117.** প্ৰত্যেক পাঠ্যসূচীয়ে শিকন ফলাফলৰ কথা কয়। ইয়াৰ অৰ্থ হৈছে
(1) শিক্ষকৰ শিক্ষণ পদ্ধতিত পৰিৱৰ্তন
(2) পাঠ্যপুথিৰ বিষয়বস্তুৰ প্ৰতি ধ্যান ৰখা
(3) শিকাৰুৰ আচৰণত পৰিৱৰ্তন
(4) সকলো পাঠ সম্পূৰ্ণ কৰাত গুৰুত্ব দিয়া

**118.** হাতত ফোনটো লৈ এটা নম্বৰ বিচৰা কাৰ্যটো তলত উল্লেখ কৰা কোনটোৰ উদাহৰণ ?
(1) সাৰগ্ৰহণ (skimming)
(2) ওপৰে ওপৰে চোৱা বা চকু ফুৰোৱা (scanning)
(3) জৰীপ বা সমীক্ষণ
(4) পুনৰীক্ষণ

**119.** শিশুক নিজেই নতুন শব্দ এটা অৰ্থ উলিয়াবলৈ দিয়াৰ পৰিৱৰ্তে প্ৰসংগ অনুসৰি নতুন শব্দবোৰৰ সংজ্ঞা শিকালে
(1) সময় নষ্ট কৰা হয়
(2) সাধাৰণতে শিশুবোৰ বিমোৰত পৰে বা খেলি-মেলিৰ সৃষ্টি হয়
(3) শব্দ এজোটা বেছি ভালকৈ বুজি পোৱাত সহায় হয়
(4) ভাটৌ শিকন বা মুখস্থ বিদ্যাক উৎসাহিত কৰা হয়

**120.** কেনেধৰণৰ লেখাত লেখকে সাধাৰণতে নিজকে চৰিত্ৰ এটা হিচাপে উপস্থাপন কৰে (সদায়ে নহ'বও পাৰে) আৰু কাহিনীটো বৰ্ণনা কৰে ?
(1) বৃত্তান্ত বা আখ্যানমূলক
(2) ব্যাখ্যাত্মক
(3) প্ৰত্যয়াত্মক
(4) বৰ্ণনামূলক

www.careerindia.com

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা–II (Language–II)** হিচাপে লৈছে, তেনেহ'লে **Part–V** ৰ (প্ৰশ্ন নং 121-ৰ পৰা 150 লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part–V (Q. Nos. 121–150)**, if they have opted **ASSAMESE** as **Language–II** only.

www.careerindia.com

CAREERINDIA

# PART—V / খণ্ড—V

## LANGUAGE—II / ভাষা—II

## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো ভাষা–**II (Language–II)** হিচাপে লৈছে, তেনেহ'লে **Part–V**ৰ **(প্ৰশ্ন নং 121ৰ পৰা 150 লৈ)** উত্তৰ কৰিব।

**121.** উপন্যাস এখন পঢ়াটো তলত দিয়া কোনটোৰ উদাহৰণ ?

(1) সাৰগ্ৰহণ (Skimming)
(2) ব্যাপক বা বিস্তৃত পঠন (Extensive reading)
(3) পুংখানুপুংখ পঠন (Intensive reading)
(4) ওপৰে-ওপৰে পঢ়া বা চকু ফুৰোৱা (Scanning)

**122.** ৰছনা এখনৰ মাজত উদ্ধৃতি ব্যৱহাৰ কৰাৰ মৌলিক উদ্দেশ্য কি ?

(1) নিৰ্দিষ্ট তথ্যৰ বিশ্লেষণ কৰা
(2) ৰছনাখনৰ মূল সুৰটো প্ৰতিষ্ঠা কৰা
(3) এটা জটিল বিষয় বুজাই কোৱা
(4) অন্য এটা দৃষ্টিকোণ উপস্থাপন কৰা

**123.** অষ্টম মানৰ এগৰাকী শিক্ষকে তেওঁৰ ছাত্ৰ-ছাত্ৰীক এটা নিবন্ধ পঢ়িবলৈ দি তাৰ পৰা কিছুমান কাৰ্য কৰিবলৈ দিছে। নিবন্ধটোৰ ভাষাৰ স্তৰ অষ্টম মানৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে তুলনামূলকভাৱে কিছু ওপৰৰ। এই কাৰ্যটো হৈছে

(1) বোধগম্য ইন্-পুট
(2) শিকন প্ৰমেয় (Learning hypothesis)
(3) অবোধগম্য ইন্-পুট
(4) পঠনৰ বোধশক্তিৰ ধাৰণা

**124.** ব্যাকৰণৰ শিক্ষাই মূলতঃ কি উন্নত কৰাত সহায় কৰে ?

(1) সংখ্যাগত সাক্ষৰতা
(2) অনৰ্গলতা
(3) শুদ্ধতা
(4) সাক্ষৰতা

**125.** ব্যাকৰণ শিকোৱাৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীক ভাষিক যোগাযোগ কৰিব পৰা কৰি তোলা। তলত দিয়া কোনটো উক্তিয়ে এই কথাটো তথা উদ্দেশ্যটো সমৰ্থন নকৰে ?

(1) ভুল শুধৰাই দিয়াটো সদায়েই শিক্ষকৰ প্ৰথম দ্বায়িত্ব নহয়
(2) ব্যাকৰণৰ প্ৰতিটো দিশৰ প্ৰতিটো বিন্দুতে ছাত্ৰ-ছাত্ৰীৰ দখল থকা উচিত
(3) যোগাযোগৰ বৃহত্তৰ প্ৰসংগ সংযুক্ত কৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীক সঞ্চালনিকৈ নিৰ্দেশ দিয়াটো প্ৰয়োজনীয়
(4) কেৱল তাৎক্ষণিক যোগাযোগৰ কাৰণে প্ৰয়োজনীয় দিশবোৰত ছাত্ৰ-ছাত্ৰীৰ দখল থাকিলেই হয়

**126.** পঠনত শব্দাৰ্থ সম্বন্ধীয় ইংগিতে (semantic cue) কি কৰে ?

(1) ব্যাকৰণগত ৰূপ চিহ্নিত কৰাত উদগনি জনায়
(2) শব্দটোৰ বিসংকেতীকৰণ (decoding)ত সহায় কৰে
(3) শব্দটো শুদ্ধকৈ উচ্চাৰণ কৰাত সহায় কৰে
(4) অৰ্থোদ্ধাৰ বা অৰ্থ-নিৰ্মাণ প্ৰক্ৰিয়াটো (Meaning-making process) সমৰ্থন কৰে

**127.** তলত উল্লেখ কৰা ভাষাৰ শিক্ষণ-শিকনৰ অভিগমন (approach)বোৰৰ ভিতৰত কোনটোৱে 'ভাষা এক অভ্যাস' বুলি ক'ব খোজে ?

(1) শ্ৰব্যভাষিকতা
(2) যোগাযোগমূলক ভাষা শিক্ষণ
(3) সহায়ক ভাষা শিকন
(4) স্বাভাৱিক অভিগমন

**নির্দেশ** : তলত দিয়া ৰছনাখণ্ড পঢ়ক আৰু তাৰ তলত দিয়া বৈকল্পিক উত্তৰৰ প্ৰশ্নসমূহৰ (প্ৰশ্ন নং **128**ৰ পৰা **135** লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো নিৰ্বাচন কৰক।

ছিগিৰিয়াৰ পৰা যাত্ৰা নকৰি আমি যদি কলম্বোৰ পৰা কেণ্ডিলৈ ৰে'লেৰে আহিলোঁহেঁতেন, তেন্তে কেণ্ডি পোৱাৰ পূৰ্বে আমি নিশ্চয় ৰাম্বুকানা নামৰ সৰু ষ্টেচনটোত নামিবলৈ হেঁপাহ কৰিলোঁহেঁতেন, কিয়নো ৰাম্বুকানাৰ নিচেই কাষতে আছে হস্তীৰ অনাথ আশ্ৰম—পিন্নাৱালা এলিফেণ্ট অৰ্ফেনেজ। এই আশ্ৰমত মাতৃহাৰা, অসুস্থ অথবা দল একোটাৰ পৰা দিগ্‌ভ্ৰান্ত হৈ অকলশৰীয়া হোৱা হস্তীশাৱকক আশ্ৰয় আৰু পৰিচৰ্যা প্ৰদান কৰা হয়। হস্তীৰ এনেধৰণৰ আশ্ৰয়স্থল আছে দক্ষিণ আফ্ৰিকা, কেনিয়া আৰু ভাৰতবৰ্ষত।

ইমান ওচৰলৈ আহি পিন্নাৱালাৰ আশ্ৰম ভ্ৰমণ নকৰাকৈ থকা ঘটনাটো আগ্ৰালৈ গৈ তাজমহল নোচোৱাকৈ উভতি অহা ঘটনাৰ প্ৰায় একে পৰ্যায়ৰ। অথচ প্ৰদীপৰ পৰা আগতীয়াকৈ পিন্নাৱালাৰ দিশ আৰু দূৰত্ব সম্পৰ্কে সম্ভেদ পোৱা নগ'ল।

কেণ্ডিত প্ৰৱেশ কৰাৰ পাছত তেওঁ 'ওক্-ৰে' জেম্‌ছ এণ্ড জুৱেলাৰ্ছ' নামৰ প্ৰতিষ্ঠান এটালৈহে লৈ গ'ল। ইয়াৰ ওচৰে-পাঁজৰে 'ইছিনি জেম্‌ছ' নামৰ আন এটা বৃহৎ ৰত্ন-প্ৰতিষ্ঠান আছে, য'ত আছে এটা 'জেমোল'জিকেল মিউজিয়াম' আৰু ৰত্নৰ খনন পদ্ধতি সম্পৰ্কীয় এখন চুটি ডকুমেণ্টৰী ছবি প্ৰদৰ্শনৰ ব্যৱস্থা। আৰু তেতিয়াই মনত পৰিল—প্ৰাচীন পৰ্যটকৰ টোকাবহীত সিংহলৰ মণি-মুক্তাৰ উল্লেখ এটা তেনেই স্বাভাৱিক কথা আছিল। সেই তাহানিতে আৰৱসকলে এই দেশক ৰত্নভাণ্ডাৰ বুলি জানিছিল। সিংহলৰ দক্ষিণ অংশত এতিয়াও আছে ৰত্নপুৰা নামৰ এডোখৰ ঠাই। ৰত্নগিৰি পাহাৰ— যি আদাম্‌ছ পীকৰ বাবেও আকৰ্ষণৰ কেন্দ্ৰ—সি আকৌ অলেখ দুৰ্মূল্য ৰত্নৰো বিশাল আকৰ।

'ওক্-ৰে' প্ৰতিষ্ঠানৰ বিক্ৰয় কাৰ্যবাহী বিষয়া এগৰাকীয়ে অত্যন্ত আগ্ৰহেৰে আমাক পদ্মৰাগ (ruby), পীত পুষ্পৰাগ (topaz), পান্না (emerald), গোমেদ (garnet), বৈদুৰ্যমণি (cat's eye), নীলম (saphire), বৰুণ মণি (aquamarine) আদিৰ মূল্য আৰু তাৎপৰ্যৰ আভাস দিবলৈ ধৰিলে। পশ্চিমৰ চহকী লোকসকলৰ অনেকেই যে ৰত্ন কিনিবলৈকে এই দেশখনলৈ আহে— কোনো কোনো আহে একাধিকবাৰ— সেই কথা আমাৰ দৰে মধ্যবিত্ত লোকৰ বাবে বিস্ময়ৰ বিষয়। মানুহৰ ৰুচি-অভিৰুচি, অনুৰাগ আৰু উপেক্ষাৰ চৰিত্ৰ সঁচাকৈয়ে আমোদজনক। ৰুবী নামৰ যিবিধ ৰত্নই লক্ষ লক্ষ মানুহৰ নিদ্ৰাহৰণ কৰে, সেইবিধ সামগ্ৰী—ৰসায়ন বিজ্ঞানৰ দৃষ্টিৰে চালে—মাথোন এক ধৰণৰ এলুমিনিয়াম অক্সাইডহে। অৱশ্যে সেই দৃষ্টিৰে চাবলৈ গ'লে হীৰাও এবিধ কাৰ্বন—সেয়া যেনিবা এক বিশেষ শ্ৰেণীৰ কাৰ্বন।

হুমায়ুন আহমেদে লিখিছে যে ৰুবী বা পদ্মৰাগ মণি মাথোন সিংহল দ্বীপতেই পোৱা যায়। সম্ভৱতঃ লেখকৰ এই ধাৰণা শুদ্ধ নহয়। কোনো কোনো তথ্যসূত্ৰ অনুসৰি পৃথিৱীৰ বহু দেশতেই আছে ৰুবীৰ আকৰ।

অসমত ৰত্ন সম্পৰ্কে প্ৰচুৰ অধ্যয়ন আৰু পাণ্ডিত্য আছে গল্পকাৰ, অভিধান-প্ৰণেতা, ভূ-তত্ত্ব বিজ্ঞানী ড০ প্ৰণৱজ্যোতি ডেকাৰ। (কিমান উষ্ণতাত, কি পদ্ধতিৰে ৰত্নসমূহৰ গুণগত মান উন্নত কৰিব পাৰি সেই সন্দৰ্ভত তেওঁ তেওঁৰ 'সোণৰ চামুচ মুখত লৈ' শীৰ্ষক আত্মজীৱনীখনত লিখিছিল। তেওঁ লিখিছিল যে বেংকক আৰু ছিংগাপুৰৰ ৰত্ন ব্যৱসায়ীয়ে ব্ৰহ্মদেশৰ নীলমৰ মান উন্নত কৰি ভাৰতবৰ্ষত শ্ৰীলংকাৰ নীলম বুলি বিক্ৰয় কৰে। লেখকগৰাকীৰ এই কথাই দেশ-বিদেশৰ বজাৰত শ্ৰীলংকাৰ ৰত্নৰ কদৰ বা চাহিদাৰ কথাকে সাব্যস্ত কৰে।)

**128.** কিছুমান বিখ্যাত তথা জনপ্ৰিয় ৰত্নৰ ইংৰাজী আৰু অসমীয়া নামবোৰ স্তম্ভ 'ক' আৰু স্তম্ভ 'খ'ত খেলি-মেলিকৈ দিয়া হৈছে। স্তম্ভ দুটা মিলাই শুদ্ধ সজ্জাটো নিৰ্ধাৰণ কৰক :

| *'ক' স্তম্ভ* | *'খ' স্তম্ভ* |
|---|---|
| (a) কেট্‌ছ আই | (i) পান্না |
| (b) ৰুবী | (ii) পীত পুষ্পৰাগ |
| (c) টপাজ | (iii) পদ্মৰাগ |
| (d) এ'মাৰেল্ড | (iv) বৈদুৰ্যমণি |

(1) (a)-(iii), (b)-(iv), (c)-(i), (d)-(ii)
(2) (a)-(ii), (b)-(i), (c)-(iv), (d)-(iii)
(3) (a)-(i), (b)-(ii), (c)-(iii), (d)-(iv)
(4) (a)-(iv), (b)-(iii), (c)-(ii), (d)-(i)

**129.** হাতীৰ অনাথ আশ্ৰমখনৰ নাম ____ এলিফেণ্ট অৰ্ফেনেজ।

(1) কেণ্ডি
(2) ৰাম্বুকানা
(3) পিন্নাৱালা
(4) কলম্বো

www.careerindia.com

**130.** হাতীৰ পোৱালিক আশ্ৰয় আৰু পৰিচৰ্যা প্ৰদান কৰা অনাথ আশ্ৰম (Elephant Orphanage) শ্ৰীলংকাৰ উপৰিও আৰু ক'ত ক'ত আছে?

(1) থাইলেণ্ড, নেপাল আৰু ভাৰত
(2) দক্ষিণ আফ্ৰিকা, কেনিয়া আৰু ভাৰত
(3) ভাৰত, ভূটান আৰু নেপাল
(4) নেপাল, দক্ষিণ আফ্ৰিকা আৰু পাকিস্তান

**131.** পদ্মৰাগ মণি কেৱল সিংহল দ্বীপতেই পোৱা যায় বুলি কোনে লিখিছিল?

(1) ড০ প্ৰণৱজ্যোতি ডেকাই
(2) ৰছনাখণ্ডটোৰ লেখকে
(3) প্ৰাচীন পৰ্যটকসকলে
(4) হুমায়ুন আহমেদে

**132.** উদ্ধৃত ৰছনাখণ্ডত ব্যৱহৃত 'কদৰ' শব্দটোৰ সমাৰ্থসূচক শব্দটো হ'ল

(1) ৰত্ন
(2) মোল
(3) বিক্ৰী
(4) যোগান

**133.** ৰত্নৰ খনন পদ্ধতি সম্পৰ্কীয় চুটি ডকুমেণ্টৰী ছবি প্ৰদৰ্শনৰ ব্যৱস্থা ক'ত আছে?

(1) আদামছ্ পীকত
(2) ও'ক ৰে' জেম্‌ছ এণ্ড জুৱেলাৰ্ছত
(3) ইছিনি জেম্‌ছত
(4) ৰাজ্যিক সংগ্ৰহালয়ত

**134.** ৰত্নপুৰা কি?

(1) ছিগিৰিয়াৰ ওচৰৰ এখন পাহাৰ
(2) ৰত্নগিৰি পাহাৰৰ অন্য নাম
(3) ৰত্নৰে পূৰ হৈ থকা প্ৰতিষ্ঠান
(4) সিংহলৰ দক্ষিণাঞ্চলৰ এক স্থান

**135.** "... সেইবিধ সামগ্ৰী—ৰসায়ন বিজ্ঞানৰ দৃষ্টিৰে চালে—মাথোন এক ধৰণৰ এলুমিনিয়াম অক্সাইডহে।" ইয়াত উল্লেখ কৰা 'সামগ্ৰী'বিধ কি?

(1) পদ্মৰাগ ৰত্ন
(2) এক বিশেষ শ্ৰেণীৰ কাৰ্বন
(3) শ্ৰীলংকাৰ বিখ্যাত নীলম ৰত্ন
(4) হীৰা

**নিৰ্দেশ** : তলত দিয়া ৰছনাখণ্ড পঢ়ি (প্ৰশ্ন নং **136**ৰ পৰা **142**লৈ) আটাইতকৈ উপযুক্ত বিকল্পটো নিৰ্বাচন কৰি উত্তৰ কৰক।

নানান জাতৰ পতংগৰে পৃথিৱীখন ইমান চহকী যে বিশ্বাস কৰিবলৈকে টান লাগে। মানুহে যিমান খৰকৈ পৃথিৱীৰ প্ৰাকৃতিক সম্পদসমূহ শোষণ কৰে, তাতোকৈ বহু বেগাই সিহঁতে সেই প্ৰাকৃতিক সম্পদ পূৰাই লয়। পতংগসমূহে অবিৰতভাৱে মাটিবোৰ সাৰুৱা কৰে, বায়ু আৰু পানী বিশুদ্ধ কৰে, ফুলৰ পৰাগ সংযোজন ঘটায়, বিষাক্ত ঘাঁহ-বনৰ মৃত্যু ঘটায়, অপকাৰী জীৱবোৰক হত্যা কৰে আৰু মানুহৰ জীৱন তথা সভ্যতাৰ কাৰণে প্ৰয়োজনীয় নানান অৱদান আগবঢ়ায়। পতংগসমূহে দুখ-ভাগৰ নামানি দিনে নিশাই সহায় কৰি থকাৰ কাৰণেহে মানুহে শস্যৰ খেতি কৰিবলৈ, শাক-পাচলি আৰু ফল-মূল লগাবলৈ, কপাহৰ খেতি কৰিবলৈ আৰু এশ এবিধ অন্যান্য বস্তু উৎপাদন কৰিবলৈ সমৰ্থ হৈছে। পতংগসমূহেই আমাৰ পৃথিৱীখনৰ স্থপতিবিদ্যা, কৃষি, উদ্যোগ আৰু সংস্কৃতি আদিৰ অংশীদাৰ। কিন্তু এই পতংগসমূহেই জানো আমাৰ শস্য নষ্ট নকৰে, সঞ্চিত দ্ৰব্যসমূহ শেষ কৰি নেপেলায় আৰু মানুহ বা ঘৰচীয়া জন্তুৰ দেহলৈ ৰোগৰ বীজাণুও নকঢ়িয়ায়? ঠিকেই। ইহঁতে এনেবোৰ কাম নকৰাও নহয়। অৱশ্যে ইয়াৰ কাৰণেও জগৰীয়া মানুহেই। প্ৰাকৃতিক পৰিবেশতন্ত্ৰৰ ওপৰত ব্যাঘাত জন্মাই মানুহেই প্ৰকৃততে ক'ব নোৱাৰাকৈয়ে পতংগবোৰক মানুহৰ শত্ৰু হ'বলৈ বাধ্য কৰাইছে। পতংগৰ আক্ৰমণত নষ্ট হোৱা শস্য, ফল-মূল, ঘৰচীয়া প্ৰাণী, কেঁচা সামগ্ৰী, উৎপাদিত দ্ৰব্য বা মানুহৰ স্বাস্থ্য আদিৰ পৰিমাণ কম নহয়। কিন্তু পতংগই পৰাগ সংযোজন ঘটাই যি পৰিমাণৰ শস্য, ফল-মূল, শাক-পাচলি, ঘাঁহ বা অন্যান্য গছ-গছনিৰ সৃষ্টিত সহায় কৰে, তাৰ তুলনাত পতংগই কৰা লোকচান একোৱেই নহয়। পাটসূতা, মৌ, মৌসিটা, লা আৰু অন্যান্য বহুতো বস্তুওতো পতংগৰে অৱদান। তাৰ লগত আন কিছুমান কথাও যোগ দিব পাৰি। যি কোনো প্ৰাণীৰ মৰা-শ, গেলা-পচা বস্তু পতংগই খায়েই ঠাইখিনি পৰিষ্কাৰ কৰি থয়। শস্যৰ অনিষ্টকাৰী সৰু-সুৰা প্ৰাণী আৰু অপকাৰী ঘাঁহ-বনো পতংগই খায়েই আমাৰ উপকাৰ সাধে। এইদৰে কিমান ধৰণৰ কামৰ কাৰণে যে মানুহ পতংগৰ ওচৰত ধৰুৱা, তাৰ সীমাসংখ্যা নাই। মানুহে পতংগক কৰা অপকাৰৰ তুলনাত পতংগই মানুহক কৰা অপকাৰৰ মাত্ৰা তেনেই নগণ্য।

আমাৰ এই গ্ৰহটোত যেতিয়া পোনপ্ৰথম পতংগৰ আৱিৰ্ভাৱ হৈছিল, তেতিয়া হয়তো মাটিত থিয় দি থাকিব পৰা মানুহ নামৰ প্ৰাণী এজাতৰ যে আৱিৰ্ভাৱ হ'ব, তাৰ কোনো আভাসেই পোৱা নগৈছিল। বায়ুৰ পৰা শ্বাস-প্ৰশ্বাস লৈ মাটিত থকা পতংগই প্ৰথম প্ৰাণী। অতি কম সময়ৰ ভিতৰতে সিহঁতে সমগ্ৰ পৃথিৱী ছানি ধৰিলে আৰু মানুহ সৃষ্টিৰ কাৰণে প্ৰয়োজনীয় পৰিবেশ এটাও গঢ়ি তুলিলে।

**136.** তলত উল্লেখ কৰা উক্তিকেইটাৰ মাজৰ পৰা অশুদ্ধ উক্তিটো বাচি উলিয়াওক।

(1) পতংগই কেৱল শস্যৰ পথাৰ আক্ৰমণ কৰে আৰু মানৱজাতিৰ অপকাৰ কৰে।

(2) পতংগই পৰাগ ৰেণুৰ সংযোজন ঘটায়।

(3) পতংগই বিষাক্ত ঘাঁহ-বনৰ মৃত্যু ঘটায়।

(4) অবিৰতভাৱে পতংগই মাটি সাৰুৱা কৰে।

**137.** ৰছনাখণ্ডত উল্লেখ থকা ফল-মূল, শাক-পাচলি, ঘাঁহ-বন, গেলা-পচা আদি শব্দবোৰ কোন শ্ৰেণীৰ শব্দৰ উদাহৰণ?

(1) সংযুক্ত বৰ্ণৰ শব্দ (2) ধ্বন্যাত্মক শব্দ

(3) দ্বিৰুক্তিবাচক শব্দ (4) যুৰীয়া শব্দ

**138.** 'জগৰীয়া' শব্দটোৰ প্ৰত্যয় ভাঙি দেখুৱাওক।

(1) জগৎ + ৰি + আ (2) জগ + অৰীয়া

(3) জগৎ + ৰিয়া (4) জগৰ + ঈয়া

**139.** জীৱ সৃষ্টিৰ আদিকালত মানুহ সৃষ্টিৰ কাৰণে প্ৰয়োজনীয় পৰিবেশ এটা কোনে সৃষ্টি কৰিছিল বুলি ৰছনাখণ্ডত উল্লেখ আছে?

(1) উদ্ভিদে (2) পতংগই

(3) মানুহে (4) সৃষ্টিকৰ্তাই

**140.** "পতংগসমূহে অবিৰতভাৱে মাটিবোৰ সাৰুৱা কৰে।" উদ্ধৃত বাক্যটোত বিভক্তিৰ প্ৰয়োগ কেইবাৰ হৈছে?

(1) তিনিবাৰ (2) এবাৰ

(3) দুবাৰ (4) পাঁচবাৰ

**141.** তলত উল্লেখ কৰা কোনটো পতংগৰ অৱদান নহয়?

(1) চন্দন (2) মৌজোল

(3) পাট সূতা (4) লা

**142.** মানুহেই প্ৰকৃততে পতংগবোৰক মানৱজাতিৰ শত্ৰু হ'বলৈ কেনেদৰে বাধ্য কৰাইছে?

(1) হিংসাত্মক মনোবৃত্তিৰে জধে-মধে পতংগবোৰ হত্যা কৰি

(2) পতংগবোৰৰ কাৰণে কোনো খাদ্য নাৰাখি

(3) সকলো সঞ্চিত দ্ৰব্য নিজলৈ বুলি ৰাখি

(4) প্ৰাকৃতিক পৰিবেশতন্ত্ৰৰ ওপৰত ব্যাঘাত জন্মাই

**143.** বিবিধ ঢাপৰ মাজেৰে গৈ লিখন শিকা কাৰ্যটো কি বুলি জনা যায়?

(1) সৃজনীমূলক লেখন (2) লেখনৰ প্ৰক্ৰিয়া অভিগমন বা পদ্ধতি

(3) উৎপাদ অভিগমন (4) বিশ্লেষণাত্মক লেখন

**144.** শিকাৰুৰ যোগাযোগমূলক দক্ষতাৰ মূল্যায়ন কৰিবৰ কাৰণে আটাইতকৈ উপযুক্ত মূল্যায়ন পদ্ধতিটো নিৰ্ণয় কৰা।

(1) প্ৰদত্ত পৰিস্থিতি এটাত ভাষণ এটা লিখিবলৈ দিয়া

(2) ছবি থকা কিতাপ এখনৰ পৰা দৃশ্য এটা বৰ্ণনা কৰিবলৈ দিয়া

(3) ৰ'ল প্লে'-ত চৰিত্ৰ ৰূপায়ণ কৰিবলৈ দিয়া

(4) শ্ৰব্য পাঠ এটা শুনি সেইটোৰ প্ৰতি মৌখিক সঁহাৰী দিবলৈ দিয়া

**145.** চমস্কীৰ মতে, ভাষা বিকাশৰ কাৰণে মানুহৰ মাজত এক ____ থাকে।

(1) টেলিগ্ৰাফিক প্ৰস্তুতি বা সষ্টম অৱস্থা

(2) শিকন সংহতি

(3) জৈৱিক প্ৰৱণতা

(4) ইন্দ্ৰিয় অনুভূত সংহতি

**146.** স্কুলীয়া শিক্ষাৰ একেবাৰে আৰম্ভণিতে বহুভাষিক অভিগমন (multilingual approach) গ্ৰহণ কৰিলে তলত দিয়া কোনটোৰ কুফল পৰিহত কৰিব পৰা যাব?

(1) দুৰ্বল যোগাযোগ দক্ষতা

(2) স্কুলৰ পৰা বাহিৰ হোৱা

(3) শিকন অক্ষমতা

(4) নিজৰ ভাষা হেৰুওৱা

**147.** নতুন পাঠ এটা আৰম্ভ কৰাৰ আগতে শিক্ষকে শিকাৰুক এটা আমোদজনক কাৰ্য কৰিবলৈ দিয়াৰ জৰিয়তে কি কৰে?

(1) শিকাৰুৰ মনোযোগ অন্যফালে ঢাল খুৱায়

(2) শিকাৰুক নতুন পাঠটোৰ কাৰণে প্ৰস্তুত কৰে

(3) শিক্ষক হিচাপে নিজৰ কাম কম কৰে

(4) পাঠ আৰম্ভ কৰাৰ আগতে শ্ৰেণীকোঠাত নিয়মানুৱৰ্তিতা ৰক্ষা কৰে

**148.** ভাষা শিকনৰ সূত্ৰ হিচাপে সিদ্ধান্তবাদে (Constructivism) তলত দিয়া কোনটো বিশ্বাস কৰে?

(1) শিকন সামাজিকভাৱে সংগঠিত হয়

(2) শিকন হৈছে এক ব্যক্তিগত বা স্বকীয় বৈশিষ্ট্য

(3) সকলো শিকাৰুৱে ভাষা শিকিব নোৱাৰে

(4) শিকন হৈছে সম্পূৰ্ণৰূপে এক মানসিক প্ৰপঞ্চ

**149.** কেতিয়াবা মানুহে একেটা বাক্যতে বেলেগ বেলেগ ভাষাৰ উপকৰণ মিহলাই কথা কয়। এনে কৰাটো হৈছে ____ৰ উদাহৰণ।

(1) উপভাষা

(2) ভাষা সঞ্চৰণ (Code-switching)

(3) ভাষা মিশ্ৰণ (Code-mixing)

(4) সমাজ ভাষাবিজ্ঞান

**150.** ভাষা একোটাৰ নিজা আৰু অনন্য উচ্চাৰণ নিয়মবোৰৰ কাৰণে ছাত্ৰ-ছাত্ৰীয়ে প্ৰায়ে কথনত আত্মবিশ্বাস হেৰুৱায়। এই অসুবিধাটো অতিক্ৰম কৰিবৰ কাৰণে শিক্ষকে কি কৰা উচিত?

(1) ছাত্ৰ-ছাত্ৰীয়ে কথনত কৰা ভুলবোৰ শুধৰোৱা

(2) শ্ৰেণীকোঠাত পঢ়িবলৈ উৎসাহ দিয়া

(3) বিশেষজ্ঞৰ সৈতে বিশেষ স্পীচ্ছ থেৰাপীৰ ব্যৱস্থা কৰা

(4) মৌখিকভাৱে যোগাযোগৰ প্ৰয়োজন হোৱা খেল কিছুমান খেলিবলৈ দিয়া



CAREERINDIA
www.careerindia.com

SPACE FOR ROUGH WORK

www.careerindia.com

★ ★ ★

CAREERINDIA

*তলত দিয়া নিৰ্দেশাৱলী মনোযোগেৰে পঢ়া :*

1. ভিন্ ভিন্ প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষণ-বহীত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে মনোযোগেৰে পঢ়িবা।
2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ-বহীৰ **দ্বিতীয় পিঠিত ক'লা বা নীলা বল পেনেৰে ঘূৰণীয়াকৈ** বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰ পৰিৱৰ্তন কৰিব নোৱাৰা।
3. উত্তৰ-বহীখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-বহীৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।
4. পৰীক্ষণ-বহী আৰু উত্তৰ-বহী মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ পৰীক্ষণ-বহী আৰু উত্তৰ-বহীৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প পৰীক্ষণ-বহী আৰু উত্তৰ-বহী দিয়া নহ'ব।
5. পৰীক্ষণ-বহী/উত্তৰ-বহীত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা।
6. OMR উত্তৰ-বহীত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নোৱাৰিব।
7. পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহত প্ৰৱেশ পত্ৰৰ বাহিৰে অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, ম'বাইল ফ'ন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে।
8. ম'বাইল ফ'ন, যি কোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইচ্‌ড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব।
9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।
10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।
11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ-বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত হস্তাক্ষৰ নকৰে তেনেহ'লে উত্তৰ-বহী নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব।
12. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।
13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।
14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষণ-বহী আৰু উত্তৰ-বহী কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।
15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ-বহী নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষণ-বহী লগত নিব পাৰে।**

www.careerindia.com

CAREERINDIA

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर-पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉलपॉइंट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर-पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं उत्तर-पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर-पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
5. परीक्षा पुस्तिका/उत्तर-पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें।
6. OMR उत्तर-पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच्ड ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी के विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना उत्तर-पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर-पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अँगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा।
14. किसी हालत में परीक्षा पुस्तिका और उत्तर-पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व उत्तर-पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue/Black Ballpoint Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the Examination Hall/Room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the Examination Hall/Room. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, before leaving the Hall/Room, the candidate must hand over the Answer Sheet to the Invigilator in the Hall/Room.** ***The candidates are allowed to take away this Test Booklet with them.***

www.careerindia.com